# 2021

( Held in 2022 )

## ASSAMESE

Paper : ASM–HE–5036

( শংকৰদেৱ )

( Honours Elective )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ লিখা : ১×১০=১০

(ক) শংকৰদেৱে ৰচনা কৰা এখন ভক্তিতত্ত্বমূলক গ্ৰন্থৰ নাম লিখা।

(খ) শংকৰদেৱে ৰচনা কৰা 'জয় জয় নৃপতি ৰসজান' শীৰ্ষক ৰাজভটিমাটিত কোন ৰজাৰ প্ৰশস্তি বৰ্ণিত হৈছে?

(গ) বৰগীতসমূহক কোনে song celestial আখ্যা দিছিল?

(ঘ) 'কীৰ্ত্তনঘোষা'ৰ খণ্ডসমূহ কোনে একত্ৰিত কৰি গ্ৰন্থৰ ৰূপ দিছিল?

(ঙ) মুক্তিমংগল ভটিমা কি ?

(চ) হৰিশ্চন্দ্ৰ উপাখ্যান কাব্যৰ মূল কি ?

(ছ) 'পাৰিজাত হৰণ' নাট অনুসৰি ইন্দ্ৰই কাৰ অভিযোগ লৈ কৃষ্ণৰ ওচৰ চাপিছিল ?

(জ) 'সাৰংগপানি হে' শীৰ্ষক বৰগীতটোত উল্লেখিত 'নিবয়-নিৱাৰ' শব্দই কি বুজাইছে ?

(ঝ) কীৰ্ত্তনৰ শিশুলীলা খণ্ডত উল্লেখ থকা মতে শিশু কৃষ্ণই গোবৰ্দ্ধন ধাৰণ কৰি কাৰ দৰ্প চূৰ কৰিছিল ?

(ঞ) 'হৰিশ্চন্দ্ৰ উপাখ্যান' কাব্যৰ আৰম্ভণিতে বশিষ্ঠ মুনিয়ে ৰজা হৰিশ্চন্দ্ৰক কোন দেৱতাৰ পূজা কৰিবলৈ নিৰ্দেশ দিছিল ?

২। চমু উত্তৰ দিয়া : ২×৫=১০

(ক) শংকৰদেৱে ৰচনা কৰা প্ৰথমখন আৰু অন্তিমখন অংকীয়া নাট কি আছিল ?

(খ) 'নাৰায়ণ কাহে' শীৰ্ষক বৰগীতটোত থকা 'অগ নগ জগ তেৰি কায়া' গীতাংশত উল্লেখিত 'অগ' আৰু 'নগ' শব্দৰ অৰ্থ লিখা।

(গ) কীৰ্ত্তনৰ গজেন্দ্ৰ উপাখ্যান খণ্ডত 'দশোদিশে প্ৰকাশিয়া শোভে শুক্লগিৰি' বুলি কোন পৰ্বতৰ কথা উল্লেখ কৰা হৈছে ? এই পৰ্বতখন কোন সাগৰৰ মাজত অৱস্থিত ?

(ঘ) ৰজা হৰিশ্চন্দ্ৰৰ পত্নী আৰু পুত্ৰৰ নাম কি আছিল ?

(ঙ) অদিতি কোন ? তেওঁ কৃষ্ণক কিয় আশীৰ্বাদ দিছিল ?





৩। উত্তৰ লিখা (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) শংকৰদেৱৰ সাহিত্যৰাজিৰ শ্ৰেণীবিভাজন কৰি দেখুওৱা।

(খ) গজেন্দ্ৰ উপাখ্যানত ভক্তিৰ মাহাত্ম্য কিদৰে প্ৰকাশ পাইছে ?

(গ) 'নাৰায়ণ কাহে' শীৰ্ষক বৰগীতটোৰ কাব্যিক সৌন্দৰ্য বিচাৰ কৰা।

(ঘ) 'হৰিশ্চন্দ্ৰ উপাখ্যান' কাব্যত সন্নিৱিষ্ট বিশ্বামিত্ৰ ঋষিৰ চৰিত্ৰটো বিশ্লেষণ কৰা।

(ঙ) অংকীয়া নাটৰ বিশেষত্বসমূহ উল্লেখ কৰা।

(চ) প্ৰসংগ-সংগতি দৰ্শাই ব্যাখ্যা কৰা :

"দেৱী সত্যভামা, তোহাৰি স্বামী শ্ৰীকৃষ্ণক
বৰি বিষম চেষ্টা দেখল, হাঁ হাঁ মাৰ, তুহু
দুৰ্ভাগা ভেলি, হামু আজুসে জানলোঁ॥"

৪। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×৪=৪০

(ক) বৈষ্ণৱ সাহিত্যৰ পটভূমি সম্পৰ্কে এটি আলোচনা যুগুত কৰা।

(খ) বৰগীতৰ বিশেষত্বসমূহ উদাহৰণসহ আলোচনা কৰা।

(গ) 'কীৰ্ত্তনঘোষা'ৰ জনপ্ৰিয়তাৰ কাৰণসমূহ বিশ্লেষণ কৰা।

(ঘ) 'হৰিশ্চন্দ্ৰ উপাখ্যান কাব্যত অসমীয়া সমাজজীৱনৰ চিত্ৰ কিদৰে উদ্ভাসি উঠিছে, আলোচনা কৰা।

(ঙ) 'পাৰিজাত হৰণ' নাটৰ ৰস সম্পৰ্কে এটি আলোচনা প্ৰস্তুত কৰা।

(চ) 'হৰিশ্চন্দ্ৰ উপাখ্যান' কাব্যত কবিৰ মৌলিকতা বিচাৰ কৰা।

(ছ) 'কীৰ্ত্তনঘোষা' গ্ৰন্থত দাৰ্শনিকতত্ত্ব কিদৰে প্ৰকাশিত হৈছে, বৰ্ণনা কৰা।

(জ) 'পাৰিজাত হৰণ' নাটত পঞ্চসন্ধিৰ প্ৰয়োগ দেখুৱাই এটি আলোচনা যুগুত কৰা।

* * *